## বৰ্ণাশ্ৰম — (চমু টোকা)

ভাৰতীয় সমাজ ব্যৱস্থাত বৰ্ণাশ্ৰমৰ গুৰুত্ব যথেষ্ট। মানুহৰ জীৱন কালক ১০০ বছৰ ধৰি প্ৰত্যেকটো ভাগক 25 বছৰকাল হিচাবে চাৰি ভাগত ভগাই প্ৰত্যেক ভাগৰ কৰ্ম নিৰ্দ্ধাৰণ কৰা হয়। সাধাৰণভাৱে এই ব্যৱস্থাক আশ্ৰম বুলি কোৱা হয়। এই ব্যৱস্থাৰ যোগেদি শাৰিৰিক আৰু মানসিক পবিত্ৰতা ৰক্ষা, ধাৰ্মিক আচাৰ-নীতি পালন কৰি মানুহক আত্মসংযমী হোৱাৰ শিক্ষা দিয়া হয়। মানুহক জীৱনৰ প্ৰতিটো স্তৰত কৰ্ম, কৰ্তব্য আৰু দায়িত্ব নিৰ্ধাৰণ কৰি দিয়াৰ লগতে ভগৱৎ প্ৰাপ্তি আৰু মোক্ষ লাভৰ পথ নিৰ্দেশনাও দিয়া হয়। আশ্ৰম ব্যৱস্থা চাৰি প্ৰকাৰৰ — ব্ৰহ্মচাৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস।

ব্ৰহ্মচাৰ্য্য — ব্ৰহ্মচাৰ্য্য আশ্ৰমক ছাত্ৰ জীৱন বুলি কোৱা হয়। জীৱনৰ এই স্তৰত মানুহে জ্ঞান লাভৰ উদ্দেশ্যে স্ব-গৃহ ত্যাগ কৰি গুৰুৰ ওচৰলৈ যায়। গুৰুৰ আশ্ৰমত বেদ-বেদান্ত আদি অধ্যয়ন কৰাৰ লগতে সাংসাৰিক প্ৰতিটো দিশে চালি-জাৰি শিকি নিজকে ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলে। আত্মসংযম, পবিত্ৰতা, ব্ৰত আদি কঠোৰ ভাৱে পালন কৰি ছাত্ৰসকলে ভৱিষ্যত সমাজৰ হিত, আৰু পৰিয়ালৰ দায়িত্ব গ্ৰহণ কৰিবলৈ নিজকে প্ৰস্তুত কৰিছিল।

গাৰ্হস্থ্য — শিক্ষাৰ অন্তত ব্যক্তি এগৰাকীয়ে বিবাহ কৰাই গাৰ্হস্থ্য আশ্ৰমত প্ৰৱেশ কৰে। ভাৰতীয় দৰ্শনত বৈবাহিক সম্বন্ধ আৰু সন্তান উৎপাদনত বিশেষ গুৰুত্ব দিয়া হৈছে। চান্দোগ্য উপনিষদ মতে, এই আশ্ৰমত ব্যক্তিয়ে ছাত্ৰ আৰু গাৰ্হস্থ্য দুয়োটা কৰ্তব্যই পালন কৰে। পূজা, দান, যজ্ঞ, আত্ম ত্যাগ আদি বিষয়সমূহ এই ভাগৰ অন্তৰ্গত।

বানপ্ৰস্থ — ব্যক্তিয়ে গাৰ্হস্থ্য জীৱনৰ পাৰিবাৰিক আৰু সামাজিক দায়িত্বসমূহ পালনৰ অন্তত সাংসাৰিক মায়া-মোহ ত্যাগ কৰি বনত বসতি কৰে। বৃহদাৰণ্যক উপনিষদত কোৱা হৈছে জীৱনৰ এই সময়ছোৱাত ব্যক্তিয়ে জনসমাগমৰ পৰা আঁতৰি বনত বাস কৰাৰ লগতে শৰীৰ আৰু মনৰ শুদ্ধিৰ বাবে বনৰীয়া ফল-মূল খাই জীৱন নিৰ্বাহ কৰিছিল।

সন্ন্যাস — যি ব্যক্তি জীৱনৰ শেষৰ ছোৱা সময়ক সন্ন্যাস আশ্ৰম বুলি অভিহিত কৰা হৈছিল। জীৱনৰ চৰম প্ৰাপ্তি মৃত্যু আৰু মোক্ষ লাভৰ বাবে ব্যক্তিয়ে ঈশ্বৰ মাধ্যমেদি আগবাঢ়ে। মনুবেদৰ বেদাঙ্গ ধৰ্মসূত্ৰ

Scanned with CamScanner

মতে কেৱল ব্ৰাহ্মণসকলেহে বিভিন্ন জটিল নীতিৰে গঠিত এই অনুষ্ঠানবোৰ আগবঢ়াব পাৰিছিল।

সন্ন্যাস আশ্ৰম সাধাৰণতে ব্ৰাহ্মণসকলৰ মাজতে সীমাবদ্ধ আছিল। ক্ষত্ৰিয়সকলে প্ৰথম তিনিটা আশ্ৰমলৈ সমৰ্থন দিছিল, বৈশ্যসকলে জীৱনৰ প্ৰথম দুটা আশ্ৰম পালন কৰি শেষলৈ সাংসাৰিক জীৱনতে আবদ্ধ থাকিছিল। শূদ্ৰ বৰ্ণৰ অন্তৰ্গত সকলক বেদ আদি অধ্যয়ন কৰাৰ পৰা বিৰত ৰখা হৈছিল আৰু তেওঁলোকে আশ্ৰম ব্যৱস্থাত নোসোমাই সমগ্ৰ জীৱন গৃহস্থী হৈয়ে কটাইছিল।

X